যিয়েই জ্যোতিষ বিদ্যাৰ কিছু শিক্ষা গ্ৰহণ কৰে, সি দৰাচলতে যাদু বিদ্যাৰ এটা শাখা আয়ত্ত কৰে। ইয়াৰ পিছত সি যিমানেই শিকিব সিমানেই সেই পথত আগুৱাই যাব।

ইবনে আব্বাছ ৰাদ্বিয়াল্লাহু আনহুমাৰ বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ যিয়েই জ্যোতিষ বিদ্যাৰ কিছু শিক্ষা গ্ৰহণ কৰে, সি দৰাচলতে যাদু বিদ্যাৰ এটা শাখা আয়ত্ত কৰে। ইয়াৰ পিছত সি যিমানেই শিকিব সিমানেই সেই পথত আগুৱাই
যাব।
[ছহীহ] [(আবু দাঊদ,ইবনে মাজাহ, আহমদ)]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত স্পষ্টভাৱে ঘোষণা কৰিছে যে, যিয়ে জ্যোতিষি বিদ্যা শিকে বা ৰাশিফল গণনা কৰা শিকে অথবা গ্ৰহ-নক্ষত্ৰৰ গতিবিধি গণনা কৰি মৃত্যু বা জীৱন অথবা বেমাৰৰ আগজাননী দিয়া শিকে, সি দৰাচলতে যাদু বিদ্যাৰ এটা অংশ শিকে, এই শিক্ষাত সি যিমানেই গভীৰতা অৰ্জন কৰিব, তাৰ যাদু বিদ্যা সিমানেই বৃদ্ধি পাব।

http://www.sunnah.global/hadeeth/as/show/5989